**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 24-05-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
## HEADLINES
**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত নিটি আয়োগৰ দশম পৰিচালন পৰিষদৰ বৈঠকত অধ্যক্ষতা কৰিব।

২। উত্তৰ-পূব অঞ্চলৰ বিকাশ ত্বৰান্বিত কৰাত নবীকৰণযোগ্য শক্তিখণ্ডই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি নতুন আৰু নবীকৰণযোগ্য শক্তিমন্ত্ৰী প্ৰহ্লাদ যোশীয়ে প্ৰকাশ কৰিছে।

৩। দেশৰ বিমান পৰিবহণ খণ্ড কেৱল এটা আন্তঃগাঁথনিয়েই নহয় বৰঞ্চ ই আকাংক্ষা, মৰ্যাদা আৰু বিকাশৰ প্ৰতীক বুলি কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী কিঞ্জাৰাপু ৰামমোহন নাইডুৱে প্ৰকাশ কৰিছে।

৪। শিক্ষা মন্ত্ৰালয়ে যুৱ প্ৰজন্মক ধপাত তথা ধপাতৰ কুব্যৱহাৰৰ পৰা আঁতৰাই ৰখাৰ উদ্দেশ্যে শিক্ষানুষ্ঠানসমূহ ধপাতমুক্ত কৰাৰ বাবে এটা ৰাষ্ট্ৰজোৰা বিধি বলৱৎকাৰী অভিযান মুকলি কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি লক্ষ্ণৌৰ একানা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৪২ ৰানত পৰাস্ত কৰে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত নিটি আয়োগৰ দশম পৰিচালন পৰিষদৰ বৈঠকত অধ্যক্ষতা কৰিব। এই বছৰৰ এই বৈঠকৰ বিষয়বস্তু হৈছে **বিকশিত ভাৰত ২০৪৭ৰ বাবে বিকশিত ৰাজ্য**। বৈঠকত বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুখ্যমন্ত্ৰী আৰু উপ-ৰাজ্যপালৰ উপৰি কেন্দ্ৰীয় মন্ত্ৰী তথা নিটি আয়োগৰ উপাধ্যক্ষ, সদস্য আৰু মুখ্য কাৰ্যবাহী বিষয়াই অংশগ্ৰহণ কৰিব। এই দশম পৰিচালন পৰিষদৰ বৈঠকে দেশৰ উন্নয়ন প্ৰত্যাহ্বান সমূহৰ বিষয়ে আলোচনা আৰু ভাৰতক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত ৰাজ্যসমূহৰ ভূমিকাক লৈ সহমত পোষণৰ এখন মঞ্চ প্ৰদান কৰিব। সমগ্ৰ দেশজুৰি উদ্যোগীসকলৰ প্ৰচাৰ, দক্ষতাৰ বিকাশ আৰু বহনক্ষম নিয়োগৰ সুযোগ সৃষ্টি সন্দৰ্ভতো এই বৈঠকত আলোচনা কৰা হ'ব।

00000

উত্তৰ-পূব অঞ্চলৰ বিকাশ ত্বৰান্বিত কৰাত নবীকৰণযোগ্য শক্তিখণ্ডই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি নতুন আৰু নবীকৰণযোগ্য শক্তিমন্ত্ৰী প্ৰহ্লাদ যোশীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত ৰাইজিং নৰ্থ-ইষ্ট বিনিয়োগকাৰী সন্মিলনত শক্তিশালী ভাৰতৰ বাবে সেউজ উত্তৰ-পূব, নবীকৰণযোগ্য শক্তিৰ বিকাশ বিষয়ক মন্ত্ৰী পৰ্যায়ৰ সত্ৰত ভাষণ দি শ্ৰীযোশীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে বিগত ১১ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উত্তৰ-পূবত অভূতপূৰ্ব উন্নয়ন পৰিলক্ষিত হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে উত্তৰ-পূবত অব্যৱহৃত

নবীকৰণযোগ্য শক্তিৰ বিশাল সম্পদ আছে। তেওঁ কয়, যে শক্তিৰ বৃৰ্ধিত চাহিদাৰে এই প্ৰাকৃতিক সুবিধাসমূহৰ সহায়ত দেশৰ সেউজ বিকাশৰ পৰিকল্পনাসমূহত উত্তৰ-পূব অঞ্চলে গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে।

উত্তৰ-পূবৰ পৰিৱৰ্তন তথা ইয়াৰ সম্ভাৱনাসমূহ ব্যৱহাৰৰ দিশত অংশগ্ৰহণ তথা বিনিয়োগৰ বাবে আগবাঢ়ি আহিবলৈ শ্ৰীযোশীয়ে উদ্যোগপতি তথা বিনিয়োগকাৰীসকলৰ প্ৰতি আহ্বান জনায়।

ooooo

দেশৰ বিমান পৰিবহণ খণ্ড কেৱল এটা আন্তঃগাঁথনিয়েই নহয় বৰঞ্চ ই হৈছে আকাংক্ষা, মৰ্যাদা আৰু বিকাশৰ প্ৰতীক বুলি কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী কিঞ্জাৰাপু ৰামমোহন নাইডুৱে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি **উইংছ ইণ্ডিয়া ২০২৬** সমাৰোহ উদ্বোধন কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশৰ অসামৰিক বিমান পৰিবহণ খণ্ডৰ অভূতপূৰ্ব বিকাশ হৈছে আৰু ২০১৪ চনৰ ৭৪টা বিমান বন্দৰৰ তুলনাত বৰ্তমান দেশত বিমান বন্দৰৰ সংখ্যা ১৬০লৈ বৃদ্ধি পাইছে। তেওঁ কয়, যে দেশত বিমানৰ সংখ্যাও দুগুণলৈ বৃদ্ধি পাইছে আৰু এহেজাৰ ৭০০ নতুন বিমানৰ অৰ্ডাৰ দিয়া হৈছে। ২০৪৭ চনৰ ভিতৰত বিমানৰ সংখ্যা ৩ হাজাৰ ৫০০ লৈ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ অনাগত ২০ বছৰত দেশত ২০০টা নতুন বিমান বন্দৰৰ সঞ্চালন কাৰ্যকৰী হ'ব আৰু ২০৩০ চনৰ ভিতৰত ভাৰত বিশ্বৰ তৃতীয় সৰ্ববৃহৎ ড্ৰোন বজাৰ হিচাপে পৰিগণিত হ'ব বুলি আশা প্ৰকাশ কৰে। শ্ৰীনাইডুৱে শিক্ষাৰ্থী, বিমান পৰিবহণৰ ক্ষেত্ৰত উৎসাহী ব্যক্তি আৰু মহিলাসকলকে ধৰি প্ৰত্যেককে **উইংছ ইণ্ডিয়া** সমাৰোহত অংশগ্ৰহণ কৰিবলৈ আৰু এই বৈপ্লৱিক বিকাশৰ নেতৃত্ব ল'বলৈ আহ্বান জনায়। তেওঁ লগতে আন্তঃৰাষ্ট্ৰীয় বিমান পৰিবহণ খণ্ডৰ মুৰব্বীসকলকো এই সমাৰোহত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

ooooo

উচ্চতম ন্যায়ালয়ে অহা ছমাহৰ ভিতৰত ITBP, BSF, CRPF CISF আৰু SSBকে ধৰি কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীসমূহৰ কেডাৰ পৰ্যালোচনা কৰিবলৈ নিৰ্দেশ দিছে। পূৰ্বে ২০২১ চনতেই এই পৰ্যালোচনাৰ বাবে সময় থিৰ কৰা হৈছিল যদিও বিভিন্ন কাৰণত এই ক্ষেত্ৰত কিছু বিলম্ব হৈ আছিল। ন্যায়াধীশ অভয় এছ অ'কা আৰু ন্যায়াধীশ উজ্বল ভূঞাক লৈ গঠিত বিচাৰপীঠে কেডাৰ পৰ্যালোচনা আৰু চলিত সেৱা বিধি তথা নিযুক্তি বিধিসমূহৰ পৰ্যালোচনা সন্দৰ্ভত গৃহ মন্ত্ৰালয়ৰ পৰা প্ৰতিবেদন লাভ কৰাৰ ৩ মাহৰ ভিতৰত সঠিক সিদ্ধান্ত গ্ৰহণ কৰিবলৈ কৰ্মচাৰী আৰু প্ৰশিক্ষণ বিভাগক নিৰ্দেশ দিছে।

পদবীত কাম নকৰাকৈ দৰমহা বৃদ্ধি কৰা, কেডাৰ সমীক্ষা আৰু ভাৰতীয় আৰক্ষী সেৱাৰ ডেপুটেচন বন্ধ কৰাৰ বাবে নিযুক্তি বিধিসমূহৰ পুনৰ গঠন আৰু সংশোধনৰ দাবী সন্দৰ্ভত শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ে এই নিৰ্দেশ দিয়ে। দেশৰ সীমান্ত অঞ্চলৰ সুৰক্ষাৰ লগতে অভ্যন্তৰীণ সুৰক্ষা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীসমূহৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলি উচ্চতম ন্যায়ালয়ে প্ৰকাশ কৰিছে।

ooooo

শিক্ষা মন্ত্ৰালয়ে দেশৰ ছাত্ৰ-ছাত্ৰী তথা যুৱ প্ৰজন্মক ধপাত তথা ধপাতৰ কুব্যৱহাৰৰ পৰা সুৰক্ষিত তথা আঁতৰাই ৰখাৰ উদ্দেশ্যে শিক্ষানুষ্ঠানসমূহ ধপাতমুক্ত কৰাৰ বাবে এটা ৰাষ্ট্ৰজোৰা বিধি বলৱৎকাৰী অভিযান মুকলি কৰিছে। বিশ্ব ধপাতমুক্ত দিৱসৰ সৈতে সংগতি ৰাখি অহা ৩১ মে'ত মাহজোৰা এই অভিযান আৰম্ভ কৰা হ'ব আৰু ২৬ জুনত ইয়াৰ সামৰণি পৰিব। এই অভিযানৰ অধীনত শিক্ষানুষ্ঠানসমূহৰ পৰা ১০০ গজৰ ভিতৰত

ধপাতৰ বিক্ৰীৰ ক্ষেত্ৰত কেতবোৰ বাধা নিষেধ আৰোপ কৰা হ'ব। এই নিষেধাজ্ঞাসমূহ অমান্য কৰিলে ল'বলগীয়া ব্যৱস্থাৱলী সন্দৰ্ভত এটা মানসম্পন্ন কাৰ্যপ্ৰণালী বিকশাই তুলিবলৈ মন্ত্ৰালয়ে ৰাজ্য তথা কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ প্ৰতি আহ্বান জনাইছে। মন্ত্ৰালয়ে লগতে ছাত্ৰ-ছাত্ৰী তথা জনসাধাৰণক ধপাত ব্যৱহাৰৰ কুপ্ৰভাৱৰ বিষয়ে সজাগ কৰাৰ উদ্দেশ্যে মাই গভ মঞ্চত এটা কুইজৰ শিতানো মুকলি কৰিছে। বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সুৰক্ষিত আৰু স্বাস্থ্যসন্মত পৰিৱেশ গঢ়ি তোলাৰ লগতে দেশৰ যুৱপ্ৰজন্মক ধপাতৰ কুপ্ৰভাৱৰ পৰা মুক্ত কৰাৰ উদ্দেশ্যে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে।

ooooo

ভাৰতে পাকিস্তানৰ বিমানৰ বাবে নটিছ্ টু এয়াৰমেন অৰ্থাৎ ন'টাম অহা মাহৰ ২৩ তাৰিখলৈ বৃদ্ধি কৰিছে। অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে পাকিস্তানত পঞ্জীকৃত আৰু পাকিস্তানৰ দ্বাৰা পৰিচালিত অথবা দেশখনৰ নিজৰ আৰু লিজত দিয়া বিমানৰ উপৰি সামৰিক বিমানৰ বাবে ভাৰতীয় বিমান ক্ষেত্ৰ স্বীকৃত নহয়। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত অসামৰিক বিমান পৰিবহণ মন্ত্ৰী কিঞ্জাৰাপু ৰামমোহন নাইডুৱে কয়, যে পাকিস্তানী বিমানৰ বাবে ন'টাম বৃদ্ধি কৰা হৈছে আৰু ভাৰতে নিজৰ স্থিতি বাহাল ৰাখিছে।

ooooo

ইৰাণ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত নিৰ্ণায়ক অগ্ৰগতিৰ অবিহনে কালি ৰোমত উচ্চ পৰ্যায়ৰ পঞ্চমলানি পাৰমাণৱিক আলোচনা সমাপ্ত হয়। ট্ৰাম্প প্ৰশাসনৰ এগৰাকী শীৰ্ষ বিষয়াই কয়, যে এই ক্ষেত্ৰত অধিক আলোচনাৰ প্ৰয়োজন আছে আৰু দুয়ো পক্ষই ভৱিষ্যতে আলোচনাত মিলিত হ'বলৈ সন্মতি প্ৰকাশ কৰে। তেওঁ কয়, যে দুয়ো পক্ষৰ মাজত গঠনমূলক আলোচনা অনুষ্ঠিত হয় যদিও এই ক্ষেত্ৰত অধিক ফলপ্ৰসূ আলোচনাৰ থল আছে। বৈঠকৰ পাছত ইৰাণৰ বিদেশ মন্ত্ৰী আববাছ আৰাঘচিয়ে সাংবাদিকৰ আগত কয়, যে আমেৰিকাৰ সৈতে পাৰমাণৱিক বিষয়ত দুই বা তিনিখন বৈঠকত আলোচনা কৰি সমাধান কৰাটো অতি কঠিন। অৱশ্যে দুয়োখন দেশৰ প্ৰতিনিধিসকলে আলোচনাৰ আটাইতকৈ পেচাদাৰী পৰ্যায়টো সম্পূৰ্ণ কৰিলে বুলি বিদেশ মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি লক্ষ্ণৌৰ একানা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৪২ ৰানত পৰাস্ত কৰে। ২৩২ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা বেংগালুৰুৰ দলটোৱে নিৰ্ধাৰিত অভাৰ শেষ হ'বলৈ এটা বল বাকী থকা অৱস্থাত আটাইকেইটা উইকেট হেৰুৱাই ১৮৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। ১৪ অভাৰলৈ দলটোৰ প্ৰদৰ্শন আশাব্যঞ্জক আছিল যদিও ইয়াৰ পাছত মাত্ৰ ১৬ ৰানতেই শেষৰ ৭টা উইকেট হেৰুৱাই পৰাজয়ৰ দিশে গতি কৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হৈ পেট কামিন্সে ৩টা আৰু এশ্বান মালিংগাই দুটা উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ২৩১ ৰান সংগ্ৰহ কৰে। দলৰ হৈ ঈশান কিষাণে মাত্ৰ ৪৮টা বলত ৯৪ ৰান কৰি আউট নোহোৱাকৈ থাকে। বেংগালুৰুৰ হৈ ৰোমাৰিঅ' শ্বেফাৰ্ডে দুটা উইকেট লাভ কৰে। ঈশান কিষাণক প্লেয়াৰ অৱ দ্যা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত পঞ্জাব কিংছ দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

মালয়ছিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ছেমি ফাইনেলত আজি ভাৰতৰ কিদাম্বী শ্ৰীকান্তে জাপানৰ য়ুচি টানাকাৰ বিৰুদ্ধে খেলিব। খেলখন দিনৰ ১০ বাজি ১৫ মিনিটত আৰম্ভ হ'ব। শ্ৰীকান্তে কালি কোৱাৰ্টাৰ ফাইনেলত ফ্ৰান্সৰ ট'মা জুনিয়ৰ পোপ'ভক ২৪-২২, ১৭-২১, ২২-২০ গেমত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। এই প্ৰতিযোগিতাত এতিয়ালৈকে বৰ্তি থকা কিদাম্বী শ্ৰীকান্তেই হৈছে একমাত্ৰ ভাৰতীয় খেলুৱৈ।

০০০০০

পোলেণ্ডৰ চ'ৰজাউত অনুষ্ঠিত জানুছ্জ কুচ'চিনস্কী মেম'ৰিয়েল প্ৰতিযোগিতাৰ জেভলিন থ্ৰ'ত ভাৰতৰ নীৰজ চোপ্ৰাই ৰূপৰ পদক অৰ্জন কৰিছে। দুবাৰকৈ অলিম্পিক বিজেতা নীৰজে নিজৰ ষষ্ঠ আৰু চূড়ান্ত প্ৰয়াসত ৮৪ দশমিক ১-৪ মিটাৰলৈ যাঠি দলিয়াই দ্বিতীয় স্থানত থাকে। এই শিতানত জাৰ্মানীৰ জুলিয়ান ৱেবাৰে ৮৬ দশমিক ১-২ মিটাৰলৈ যাঠি দলিয়াই সোণৰ পদক অৰ্জন কৰাৰ লগতে গ্ৰেনাড়াৰ এণ্ডাৰচন পিটাৰছে ৮৩ দশমিক ২-৪ মিটাৰেৰে ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

০০০০০

সমাপ্ত